**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

অসম চৰকাৰে দুৰ্নীতিক কোনো কাৰণতে প্ৰশ্ৰয় নিদিয়ে আৰু ৰাজ্যখনৰ পৰা অনীতি-অনিয়ম দূৰ কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ লৈ আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দুৰ্নীতি ৰোধ কৰাৰ বাবে নীতিৰ সংস্কাৰ সাধনৰ উপৰি দুৰ্নীতিত লিপ্ত বিষয়াসকলক চিনাক্ত কৰি শাস্তি বিহাৰ ব্যৱস্থাও কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতি অনুসৰি ২০২১ চনৰ পৰা দুৰ্নীতিৰ বিৰুদ্ধে দুই শতাধিক গোচৰ ৰুজু কৰাৰ লগতে ২৫৬ জন লোকক আটক কৰা হৈছে। ইয়াৰ ভিতৰত ২৩৬ জন চৰকাৰী চাকৰিয়াল আৰু ২০ জন মধ্যভোগী বুলি তেওঁ উল্লেখ কৰে। এই সময়ছোৱাত অসাধু উপায়েৰে সংগ্ৰহ কৰা ৭ কোটি ৮০ লাখ ৮৪ হাজাৰৰো অধিক ধন জব্দ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ সহযোগত নিৰ্বাচনী বিভাগে নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ইপিনে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। আজি কেবিনেট মন্ত্ৰী অশোক সিংহলে বৰপেটাত উপস্থিত হৈ জনসাধাৰণে চৰকাৰখনৰ উন্নয়নমূলক কামৰ বাবে আস্থা প্ৰকাশ কৰি আহিছে আৰু নিৰ্বাচনত এই কথা প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে। চিৰাং জিলাৰ ছিদলী সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ আজি বি-টি-চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কদমতলা আৰু ছাতিপুৰত দুখনকৈ নিৰ্বাচনী সভাত অংশ লয়। ধলাই সমষ্টিত আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই সমষ্টিটোৰ প্ৰাৰ্থীগৰাকীৰ হৈ পাঁচখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। আনহাতে, বিহালী সমষ্টিত কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত বিশেষ ছুটী লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলক অহা ৬ আৰু ৮ নৱেম্বৰত এই ছুটীৰ সুবিধা আগবঢ়াইছিল। এই বিশেষ ছুটীৰ অধীনত কৰ্মচাৰীসকলক ৭ নৱেম্বৰ ষট পূজা, ৯ নৱেম্বৰ মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰৰ দিনটো একেলগে সামৰি লোৱা হ'ব বুলি কোৱা হৈছিল। উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ ফলত সংশ্লিষ্ট সমষ্টিকেইটাৰ কৰ্মচাৰীসকলৰ বাবে এই ছুটী লোৱাত সমস্যা সৃষ্টি হোৱাৰ বাবে পৰৱৰ্তী সময়ত এই ছুটী প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছে।

০০০

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি আজিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হৈছে। এই উদযাপনত অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি ধুবুৰী জিলাত এই উপলক্ষে আয়োজিত অনুষ্ঠিত হস্ততাঁত আৰু বস্ত্ৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই অংশগ্ৰহণ কৰে। ইপিনে, কৰিমগঞ্জত আয়োজিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত বিধায়ক কমলাক্ষ দেৱ পুৰকায়স্থৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কোকৰাঝাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেইবাগৰাকীও সাহিত্যিকক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। ইপিনে মৰিগাঁও জিলাত আজি ভাষা গৌৰৱ সপ্তাহৰ শুভাৰম্ভ উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাৰ উপৰি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। যোৰহাটতো আজি পিতাম্বৰ দেৱগোস্বামী প্ৰেক্ষাগৃহত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচী উপলক্ষে বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০

সমাগত ষট্ পূজা শান্তিপূৰ্ণভাৱে উদযাপনৰ উদ্দেশ্যে আজি তিনিচুকীয়া জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত পূজা অনুষ্ঠিত হ'বলগীয়া স্থানসমূহৰ অৱস্থা, নিৰাপত্তা আৰু সামাজিক শৃংখলাজনিত দিশ আদি চালি-জাৰি চোৱা হয়। সভাত জিলা আৰক্ষী অধীক্ষকৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। পূজাৰ সময়ছোৱাত জনসাধাৰণৰ অসুবিধাৰ সৃষ্টি কৰিব পৰা কাৰ্যৰ পৰা বিৰত থাকিবলৈ আয়ুক্তগৰাকীয়ে সকলোকে আহ্বান জনায়।

০০০

অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৰূপায়ণ সন্দৰ্ভত আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ বিত্ত, মহিলা আৰু শিশু বিকাশ মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগে অংশ লৈ এই ধবজাবাহী আঁচনিখন ৰূপায়ণৰ পৰ্যালোচনা কৰে। তেওঁ যোগ্য হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত অত্যন্ত সতৰ্কতা অৱলম্বন কৰাৰ লগতে আঁচনিখনৰ ক্ষেত্ৰত প্ৰযোজ্য চৰ্ত তথা নিৰ্দেশনাসমূহ পালনৰ বাবে আহ্বান জনায়। এই অনুষ্ঠানত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ভাস্কৰজ্যোতি বৰুৱাৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

নগাঁও চহৰৰ খাগৰিজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, কবি, লেখক, গৱেষক ড০ সাগৰ বৰুৱাৰ আজি পুৱা হোজাই জিলাৰ নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ। শিক্ষাবিদগৰাকীৰ মৃত্যুত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, সাহিত্য সন্মিলনী নগাঁও জিলা সমিতি, নগাঁও মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, খাগৰিজান আৰু লংকা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীকে ধৰি বহু লোকে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ নশ্বৰ দেহত শ্ৰদ্ধা নিবেদন কৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**